তোমালোকৰ পূৰ্বৱৰ্তী সময়ত এজন ৰজা আছিল। তেওঁৰ এজন যাদুকৰ আছিল।

চুহাইব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ পূৰ্বৱৰ্তী সময়ত এজন ৰজা আছিল। তেওঁৰ এজন যাদুকৰ আছিল। সেই যাদুকৰজন বৃদ্ধ অৱস্থাত উপনীত হোৱাত, তেওঁ ৰজাক ক'লে যে, মই বৃদ্ধ বয়সত উপনীত হৈছোঁ, সেয়েহে কোনো এজন যুৱকক মোৰ ওচৰলৈ পঠিয়াই দিয়ক, যাতে মই তাক যাদুবিদ্যা শিকাই থৈ যাব পাৰোঁ। এই কথা শুনি ৰজাই এজন যুৱকক তাৰ ওচৰত যাদুবিদ্যা শিকিবলৈ পঠিয়াব ধৰিলে। যুৱকজনৰ যাত্ৰাপথত এজন ধৰ্মযাজক আছিল। যুৱকজনে যেতিয়া সেই পথেৰে গৈছিল, তেতিয়া সেই ধৰ্মযাজকজনৰ ওচৰত বহিছিল আৰু তেওঁৰ কথা শুনিছিল। যুৱকজনে তেওঁৰ কথা শুনি মুগ্ধ হ'ল। সেয়ে যুৱকজনে যেতিয়াই যাদুকৰৰ ওচৰলৈ গৈছিল, যোৱাৰ সময়ত সদায় সেই ধৰ্মযাজকৰ ওচৰত বহিছিল। (কিন্তু পলম হোৱাৰ কাৰণে) যেতিয়া যাদুকৰৰ ওচৰলৈ আহিছিল, যাদুকৰজনে যুৱকজনক প্ৰহাৰ কৰিছিল। যুৱকজনে এই বিষয়টো ধৰ্মযাজকজনক অৱগত কৰিলে। তেতিয়া তেওঁ তাক উপায় প্ৰদান কৰি ক’লে যে, যদি তুমি যাদুকৰক ভয় পোৱা, তেন্তে ক’বা যে, ঘৰৰ মানুহে আহিব দিয়া নাছিল। আনহাতে যদি তুমি পৰিয়ালৰ ফালৰ পৰা আশংকা অনুভৱ কৰা, তেন্তে ক’বা, যাদুকৰে পলমকৈ ছুটি দিছে। এইদৰে চলি আছিল, এদিন হঠাৎ যুৱকজনে এটা ভয়ানক হিংস্ৰ প্ৰাণীৰ সন্মুখীন হ'ল, যিয়ে অহা যোৱা কৰা বাটৰুৱাৰ পথ অৱৰোধ কৰি ৰাখিছিল। এই অৱস্থা দেখি, সি মনে মনে ভাবিলে যে, আজিয়ে প্ৰমাণিত হ'ব, কোন উত্তম, যাদুকৰ নে ধৰ্মযাজক? ইয়াৰ পিছত যুৱকজনে এটা শিল হাতত লৈ ক’লে, হে আল্লাহ! যাদুকৰৰ তুলনাত ধৰ্মযাজকজন যদি তোমাৰ ওচৰত বেছি প্ৰিয় হয়, তেন্তে এই শিলৰ আঘাতত এই হিংস্ৰ প্ৰাণীটোক হত্যা কৰি পেলোৱা, যাতে মানুহে চলাচল কৰিব পাৰে। তাৰ পিছত সি সেই প্ৰাণীটোৰ ফালে লক্ষ্য কৰি সেই শিলটো নিক্ষেপ কৰিলে আৰু প্ৰাণীটো নিহত হ'ল। ফলত, মানুহে পুনৰ যাতায়াত আৰম্ভ কৰিলে। ইয়াৰ পিছত সেই যুৱকজনে ধৰ্মযাজকজনৰ ওচৰলৈ আহি সম্পূৰ্ণ ঘটনা বিৱৰি ক’লে। তেতিয়া ধৰ্মযাজকজনে ক’লে, হে মোৰ প্ৰিয় শিষ্য! আজিৰ পৰা তুমি মোতকৈও শ্রেষ্ঠ। তোমাৰ মর্যাদা ইমান উচ্চ পৰ্যায়লৈ উপনীত হৈছে যে, তুমি শীঘ্ৰেই পৰীক্ষাৰ সন্মুখীন হ'বা। যদি তুমি পৰীক্ষাৰ সন্মুখীন হোৱা, তেন্তে মোৰ কথা গোপন ৰাখিবা। ইপিনে যুৱকজনে আল্লাহৰ আদেশত জন্মান্ধ আৰু কুষ্ঠৰোগীসকলক আৰোগ্য প্ৰদান কৰিবলৈ ধৰিলে আৰু মানুহৰ বিভিন্ন বেমাৰ-আজাৰ নিৰাময় কৰিবলৈ ধৰিলে। ৰজাৰ পৰিষদবৰ্গৰ এজন ব্যক্তি অন্ধ হৈ পৰিছিল। তেওঁ এই সংবাদ শুনাৰ পিছত বহুতো উপহাৰ আৰু দান-দক্ষিণা লৈ যুৱকজনৰ ওচৰত আহি উপস্থিত হ’ল আৰু ক’লে, তুমি যদি মোক আৰোগ্য প্ৰদান কৰিব পাৰা, তেন্তে এই সকলো সম্পদ তোমাক প্ৰদান কৰিম। এই কথা শুনি যুৱকজনে উত্তৰ দিলে যে, মই কাকো আৰোগ্য প্ৰদান কৰিব নোৱাৰোঁ, আৰোগ্য কেৱল আল্লাহে প্ৰদান কৰিব পাৰে। তুমি যদি আল্লাহৰ ওপৰত ঈমান পোষণ কৰা, তেন্তে মই আল্লাহৰ ওচৰত দু’আ কৰিম, তেওঁ তোমাক আৰোগ্য দান কৰিব। ইয়াৰ পিছত তেওঁ আল্লাহৰ ওপৰত ঈমান আনিলে, ফলত আল্লাহে তেওঁক আৰোগ্য প্ৰদান কৰিলে। তাৰ পিছত, সেই ব্যক্তি গৰাকী অন্যান্য দিনৰ দৰে এদিন ৰজাৰ বৈঠকত আহি বহিল। ৰজাই তেওঁক প্ৰশ্ন কৰিলে যে, কোনে তোমাক তোমাৰ দৃষ্টিশক্তি ওভোতাই দিলে? তেওঁ ক'লে, মোৰ প্ৰতিপালকে। এই উত্তৰ শুনি ৰজাই পুনৰ প্ৰশ্ন কৰিলে। মোৰ বাহিৰে তোমাৰ বেলেগ কোনো প্ৰতিপালক আছে নেকি? তেওঁ উত্তৰ দিলে, মোৰ আৰু আপোনাৰ তথা সকলোৰে প্ৰতিপালক (ৰব্ব) হৈছে মহান আল্লাহ। এই উত্তৰ শুনি, ৰজাই তেওঁক বন্দী কৰি অবিৰাম শাস্তিৰ নিৰ্দেশ দিলে। অৱশেষত তেওঁ সেই

بِاسْمِ اللَّهِ رَبِّ الْغُلَامِ
بِاسْمِ اللَّهِ رَبِّ الْغُلَامِ
آمَنَّا بِرَبِّ الْغُلَامِ آمَنَّا بِرَبِّ الْغُلَامِ

ওপৰত প্ৰতিষ্ঠিত আছে।’
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আমাৰ পূৰ্বে অতিবাহিত হোৱা লোকসকলৰ মাজত এনেকুৱা এজন ৰজা আছিল, যাৰ নিজস্ব এজন যাদুকৰ আছিল। সেই যাদুকৰজন যেতিয়া বৃদ্ধ অৱস্থাত উপনীত হ'ল, তেতিয়া ৰজাৰ ওচৰত আহি আবেদন কৰি ক'লেঃ মই বৃদ্ধ হৈ পৰিছোঁ। গতিকে মোৰ ওচৰলৈ এজন যুৱকক প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰক, যাতে মই তাক মোৰ যাদু বিদ্যা শিকাব পাৰোঁ। সেয়ে ৰজাই এজন যুৱকক নিয়োজিত কৰিলে সেই যাদুকৰৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ। যুৱকজন যিটো পথেৰে অহা যোৱা কৰিছিল, সেই পথতে আছিল এজন ধৰ্মযাজক। এবাৰ সেই যুৱকজন ধৰ্মযাজকজনৰ ওচৰত বহিলে আৰু তেওঁৰ কথা শুনিলে। তেওঁৰ কথাবোৰ শুনি যুৱকজন মুগ্ধ হ’ল। সেয়ে যুৱকজন যেতিয়াই যাদুকৰৰ ওচৰলৈ যাবলৈ ওলাই আহিছিল, তেতিয়াই ধৰ্মযাজকজনৰ ওচৰত সময় কটাই বহুতো কথা শিকিছিল। ইপিনে যাদুকৰৰ ওচৰলৈ অহাত পলম হোৱাত যাদুকৰে তাক শাসনমূলক প্ৰহাৰ কৰিছিল। কথাটো সি ধৰ্মযাজকজনক অৱগত কৰিলে। তেতিয়া ধৰ্মযাজকজনে ক'লেঃ যদি যাদুকৰে তোমাক কিবা কয় তেন্তে ক'বাঃ ঘৰত অসুবিধা আছিল কাৰণে পলম হৈছে, আৰু ঘৰৰ মানুহে সুধিলে ক'বাঃ যাদুকৰে পলমকৈ ছুটি দিছে। এই অৱস্থা চলি থকাৰ সময়তে যুৱকজন এদিন এটা প্ৰকাণ্ড জন্তুৰ সন্মুখীন হ’ল, যিটো ৰাস্তাত অৱস্থান কৰি থকাৰ কাৰণে মানুহৰ পথ অৱৰোধ কৰি আছিল। তেতিয়া যুৱকজনে ভাবিলে, আজিয়ে সঠিক সময় এইটো পৰীক্ষা কৰাৰ যে, যাদুকৰ উত্তম নে সেই ধৰ্মযাজকজন উত্তম? এই বুলি যুৱকজনে এটা শিল হাতত তুলি ল'লে আৰু ক'লেঃ হে আল্লাহ! যাদুকৰৰ তুলনাত ধৰ্মযাজকজনৰ বিষয়টো যদি তোমাৰ ওচৰত বেছি প্ৰিয় হয় তেন্তে তুমি এই প্ৰাণীটোক ইয়াৰ দ্বাৰা হত্যা কৰা, যাতে মানুহে অহা যোৱা কৰিব পাৰে। এই বুলি কৈ যুৱকজনে শিলটো দলিয়ালে আৰু লগে লগে প্ৰাণীটো মৃত্যুবৰণ কৰিলে। তেতিয়া যুৱকজন ধৰ্মযাজকজনৰ ওচৰলৈ আহি সম্পূৰ্ণ বিষয়টো বিৱৰি ক'লে। কথাবোৰ শুনি ধৰ্মযাজকে ক'লেঃ হে মোৰ প্ৰিয় শিষ্য! আজি তুমি মোতকৈও উত্তম। মোৰ দৃষ্টিত তুমি চূড়ান্ত পৰ্যায়ত উপনীত হৈছা। শীঘ্ৰেই তুমি পৰীক্ষাৰ সন্মুখীন হ'বা। যদি তুমি পৰীক্ষাৰ সন্মুখীন হোৱা তেন্তে মোৰ নাম উচ্চাৰণ নকৰিবা। ইয়াৰ পিছত সেই যুৱকজন আল্লাহৰ ইচ্ছাত অন্ধ আৰু কুষ্ঠৰোগীসকলক সুস্থ কৰিবলৈ তথা চিকিৎসা কৰিবলৈ ধৰিলে। ইপিনে ৰজাৰ পৰিষদবৰ্গৰ এজন লোকৰ বেমাৰত দৃষ্টিশক্তি নোহোৱা হৈছিল। এই যুৱকজনৰ চিকিসা সম্পৰ্কে গম পাই তেওঁৰ ওচৰলৈ বহুতো উপহাৰ উপঢৌকনলৈ উপস্থিত হ'ল আৰু আহি ক'লেঃ যদি তুমি মোক সুস্থ কৰি তুলিব পাৰা, তেন্তে এই সকলোবোৰ উপহাৰ তোমাৰ। যুৱকজনে ক'লেঃ মই কাকো আৰোগ্য কৰিব নোৱাৰোঁ, বৰং আৰোগ্য কেৱল আল্লাহে দান কৰে। এতেকে যদি আপুনি আল্লাহৰ প্ৰতি ঈমান পোষণ কৰে তেন্তে মই আল্লাহৰ ওচৰত দুআ কৰিম, তেওঁ আপোনাক আৰোগ্য দান কৰিব। ইয়াৰ পিছত তেওঁ আল্লাহৰ প্ৰতি ঈমান পোষণ কৰে, ফলত আল্লাহে তেওঁক শ্বিফা দান কৰে। আৰোগ্য লাভ কৰাৰ পিছত তেওঁ ৰজাৰ বৈঠকত পূৰ্বে যিদৰে অংশগ্ৰহণ কৰিছিল সেইদৰে আহি উপস্থিত হ'ল। ৰজাই তেওঁক দেখি ক'লেঃ তোমাৰ দৃষ্টিশক্তি কেনেকৈ আৰু কোনে ওভোতাই দিলে? তেওঁ ক'লেঃ মোৰ প্ৰতিপালকে ওভোতাই দিছে। তেতিয়া তেওঁ ক'লেঃ মোৰ বাহিৰেও তোমাৰ বেলেগ কোনো প্ৰতিপালক আছে নেকি? তেওঁ ক'লেঃ মোৰ আৰু আপোনাৰ প্ৰতিপালক হৈছে কেৱল আল্লাহ। এই কথা শুনাৰ লগে লগে তেওঁক গ্ৰেপ্তাৰ কৰা হ'ল আৰু শাস্তি বিহা আৰম্ভ কৰা হ'ল। অৱশেষত শাস্তি সহ্য কৰিব নোৱাৰি যুৱকজনৰ বিষয়ে কৈ দিলে। যুৱকজনক উপস্থিত কৰা হ'ল। ৰজাই যুৱকজনক সুধিলেঃ হে যুৱক! তোমাৰ যাদু বিদ্যা ইমান উচ্চ শিখৰ পাইছেনে যে, তুমি অন্ধ আৰু কুষ্ঠৰোগীকো আৰোগ্য কৰিব পাৰা, লগতে এই এই কাম কৰা! যুৱকজনে ক'লেঃ মই কাকো আৰোগ্য প্ৰদান কৰিব নোৱাৰোঁ। বৰং আৰোগ্য কেৱল আল্লাহে প্ৰদান কৰে। এই কথা শুনাৰ পিছত যুৱকজনকো গ্ৰেপ্তাৰ কৰা হ'ল, আৰু যুৱকজনকো অবিৰাম শাস্তি বিহিবলৈ ধৰিলে। শাস্তি সহ্য কৰিব নোৱাৰি যুৱকজনে ধৰ্মযাজকৰ সন্ধান দিলে। ধৰ্মযাজকক উপস্থিত কৰা হ'ল আৰু তেওঁক কোৱা হ'ল যে, তুমি তোমাৰ ধৰ্ম ত্যাগ কৰা। তেওঁ অস্বীকাৰ কৰিলে। ইয়াৰ পিছত এখন কৰত আনিবলৈ কোৱা হ'ল আৰু সেইখন ধৰ্মযাজকৰ মূৰৰ ওপৰত ৰাখি তেওঁৰ মূৰ ফালি পেলালে। ইয়াৰ পিছত ৰজাৰ পৰিষদবৰ্গৰ সেই ব্যক্তিকো উপস্থিত কৰা হ'ল, আৰু তেওঁকো কোৱা হ'ল যে, তুমি তোমাৰ ধৰ্ম ত্যাগ কৰা। তেৱোঁ অস্বীকাৰ কৰিলে। ফলত তেওঁৰ

باســـم اللـــه رب الغلام

آمنا برب الغلام، آمنا برب الغلام، آمنا برب الغلام

http://www.sunnah.global/hadeeth/as/show/3303